### গোৱালপাৰা মহাবিদ্যালয়ত দীক্ষাৰম্ভ-২০২৩ অনুষ্ঠানত অধ্যাপক হিৰণ্য কুমাৰ নাথ

# মানৱ সম্পদ গঢ়িবলৈ অলপ পৃথক ধৰণে চিন্তা কৰিব লাগিব

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৩ আগষ্ট ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ সভাকক্ষত আজি দীক্ষাৰম্ভ ২০২৩ অনুষ্ঠান অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী আৰু আমেৰিকাৰ 'চাম হাউষ্টন বিশ্ববিদ্যালয়'ৰ অৰ্থনীতি আৰু আন্তৰ্জাতিক ব্যৱসায় বিভাগৰ অধ্যাপক ড° হিৰণ্য কুমাৰ নাথে ভাষণ প্ৰদান কৰে। মুখ্য অতিথি হিচাপে ড° হিৰণ্য কুমাৰ নাথে 'একবিংশ শতিকাত মানৱ সম্পদ' শীৰ্ষক বিষয়ত বক্তব্য দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ কয়— 'নতুন শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ লগে লগে বহু ছাত্ৰ-ছাত্ৰীয়ে এই ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ত ভৰ্তি হৈছে। বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষাৰ্থীসকলে স্নাতক শ্ৰেণীত ভৰ্তি হৈছে। কোনোবাই কলা শাখাত, কোনোবাই




বিজ্ঞান শাখাত আৰু আন কোনোবাই বাণিজ্য শাখাত ভৰ্তি হৈছে। নতুনকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত খাপ খোৱাকৈ তথা মহাবিদ্যালয়ৰ পৰিবেশৰ লগত মিলিবলৈ কিছু সময়ৰ প্ৰয়োজন হয়। এই দীক্ষাৰম্ভ অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মনত অহা অসুবিধাসমূহ দূৰীকৰণৰ চেষ্টা কৰা হয়।' তেওঁ সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এইবুলিও কয় যে একবিংশ শতিকাত মানৱ সম্পদ গঢ়িবলৈ অলপ পৃথক ধৰণে চিন্তা চৰ্চা কৰিব লাগিব। তেওঁ কয় যে একবিংশ শতিকাত মানৱ সম্পদ গঢ়িবলৈ বিদেশলৈ যোৱাৰ প্ৰয়োজন নহয়। কিয়নো এতিয়া বিদেশৰ বহু মহাবিদ্যালয়, বিশ্ববিদ্যালয়ে অনলাইন ক'ৰ্চ আৰম্ভ কৰিছে আৰু সেইবোৰৰ ডিগ্ৰী বা ডিপ্ল'মাও বহুত গুৰুত্বপূৰ্ণ। সেয়ে ম'বাইলৰ অপব্যৱহাৰ নকৰি সকলোকে কামত খটুৱাবলৈ তেওঁ আহ্বান জনায়। তেওঁ ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীসকলক সোণৰ লগতো তুলনা কৰে। সোণ যেনেকৈ খনিৰ পৰা আহৰণ কৰি অলংকাৰ তৈয়াৰ কৰাৰ পিচত মূল্যৱান হৈ পৰে, ঠিক তেনেকৈ ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়ৰ পৰা সঠিক পথেৰে আগবাঢ়ি গৈ সফল হ'ব পাৰিব। তেওঁ আৰু কয়— 'আইনাত কেৱল নিজৰ মুখ দেখা যায় যদিও খিৰিকীৰে গোটেই বিশ্ব দেখা যায়। ঠিক সেইদৰে ছাত্ৰ অৱস্থাত আইনাৰ নিচিনা কেৱল নিজকে দেখা যাব আৰু ভৱিষ্যতে সুনাম অৰ্জন কৰিলে গোটেই বিশ্বই সুনাম অৰ্জন কৰাজনক চিনিব।' মহাবিদ্যালয়খনৰ পৰা পঢ়ি যোৱা আদিল হুছেইন এতিয়া বলিউডৰ তাৰকা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া গোটেই বিশ্বই আদিল হুছেইনক চিনি পায়। সভাত জিলা আয়ুক্তয়ো ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। সভাৰ অন্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে অসমৰ সুসন্তান তথা আমেৰিকাৰ চাম হাউষ্টন বিশ্ববিদ্যালয়ৰ ড° হিৰণ্য কুমাৰ নাথক ধন্যবাদ জ্ঞাপন কৰে। সভাখনত মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকাসকলৰ লগতে কেইবাশ ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।